# জেক দ্য ৰিপাৰ

## কুখ্যাত হত্যাকাৰীৰ নতুন পৰিচয়

অপৰাধ

জিতুমণি পাঠক

‘ৰিপাৰ’ল’জী। অতি আশ্চৰ্যজনকভাৱে মাত্ৰ এগৰাকী কুখ্যাত অপৰাধীৰ জীৱনবৃত্তান্তক অধ্যয়ন আৰু গৱেষণাৰ বাবে সৃষ্টি হৈছিল অনন্য এই বিজ্ঞান। ১৮৮৮ চনৰ ইংলেণ্ডক কঁপাই তুলিছিল এই ‘ছিৰিয়েল কিলাৰ’জনে। নিৰ্বিঘ্নে এটাৰ পিছত এটাকৈ ধাৰাবাহিকভাৱে হত্যা কৰি গৈছিল এই কুখ্যাত অপৰাধীজনে। হত্যাৰ বলি হৈছিল লণ্ডনৰ হোৱাইট চেপেল জিলাৰ দৰিদ্ৰ অঞ্চলত বসবাস কৰা গণিকাসকল। ঘাতকে হত্যাৰ বলি হোৱা গণিকাসকলৰ পেটটো নিষ্ঠুৰভাৱে ফালি শেষত ডিঙি ৰেপি ৰেপি তেওঁলোকক মৃত্যুৰ কোলাত শুৱাই দিছিল। মৃতদেহত প্ৰত্যক্ষ হোৱা বীভৎসতাই সাধাৰণ লোকতো বাদেই, অনুসন্ধানকাৰী বিষয়াসকলোৰো গা শিয়ৰাই তুলিছিল। একেৰাহে পাঁচটাকৈ হত্যাকাণ্ড সংঘটিত কৰাৰ পিছত হঠাতে অদৃশ্য হৈ পৰিছিল এই অজ্ঞাত হত্যাকাৰী। কোনোবাই কয়, ইয়াৰ পিছত সেই হত্যাকাৰীৰো মৃত্যু ঘটিছিল। কিন্তু সেয়া কিমানদূৰ সঁচা! ‘স্কটলেণ্ড ইয়াৰ্ড’ৰ দৰে সুদক্ষ বিশ্বমানৰ অনুসন্ধানকাৰী সংস্থাইও সেই হত্যাকাৰীৰ গাৰ নোম এডাল বিচাৰি উলিয়াবলৈ সক্ষম নহ’ল। হত্যাকাৰীক লৈ সাধাৰণ মানুহৰ মাজত হ’ল বহুতো জল্পনা-কল্পনা। কোনোবাই হত্যাকাৰীক নামকৰণ কৰিলে ‘লেডাৰ এপ্ৰ’ন’ নামেৰে। আন কোনোবাই ‘হোৱাইট চেপেল মাৰ্ডাৰাৰ’। কিন্তু পিছৰ পৰ্যায়ত এই হত্যাকাৰী সমগ্ৰ বিশ্বত এটা নামেৰে পৰিচিত হৈ ৰ’ল— ‘জেক দ্য ৰিপাৰ’। ‘জেক’ ইংলেণ্ডত আমাৰ ইয়াৰ যদু, মধুৰ দৰে সাধাৰণ নাম। নিষ্ঠুৰ ঘাতকজনে হত্যাকাণ্ডত ছুৰীজাতীয় চোকা অস্ত্ৰ ব্যৱহাৰ কৰাৰ বাবেই নাম পালে ‘জেক দ্য ৰিপাৰ’।

একেৰাহে পাঁচটাকৈ হত্যাকাণ্ড সংঘটিত কৰাৰ পিছত ‘জেক দ্য ৰিপাৰ’ চিৰদিনৰ বাবে নিশ্চুপ হৈ পৰিল যদিও হত্যাকাৰীজনৰ আতংকই এক দীঘলীয়া সময়লৈ জনসাধাৰণক গ্ৰাস কৰি ৰাখিছিল। হত্যাকাণ্ডৰ ওৰ পৰিছিল যদিও হত্যাকাৰীৰ পৰিচয় জানিবলৈ সকলো ব্যগ্ৰ হৈ পৰিছিল। সন্দেহৰ আৱৰ্তত সোমাই পৰিছিল লুই কেৰ’লৰপৰা আৰম্ভ কৰি ৰাণী ভিক্টোৰিয়াৰ নাতিলৈকে। মৃতদেহবোৰৰ যিদৰে পেট ফালি জৰায়ু, গৰ্ভাশয় বা বৃক্ক আদি উলিয়াই পেলোৱা হৈছিল তাৰ বাবে বহুতে অনুমান কৰিছিল যে ইয়াৰ বাবে এখন সুদক্ষ হাতৰ প্ৰয়োজন হ’ব। যাৰ বাবে হোৱাইট চেপেলৰ প্ৰতিজন ফিজিছিয়ান, ছাৰ্জন ‘জেক দ্য ৰিপাৰ’ৰ সন্দেহত জেৰাৰ সন্মুখীন হৈছিল। বাচি যোৱা নাছিল কচাইসকলো। কিন্তু সকলো চেষ্টা ব্যৰ্থ হৈছিল। কেইবাশ লোকক জেৰা, গোপন অনুসন্ধান কৰাৰ পিছতো পুলিচ বিভাগে এই হত্যাকাৰীৰ কোনো সন্ধানেই উলিয়াব নোৱাৰিলে। মাত্ৰ পুলিচৰ অনুসন্ধান আৰু ৰিপাৰ’ল’জিষ্টসকলৰ গৱেষণাৰপৰা সমগ্ৰ বিশ্বই জ্ঞাত হ’ল ‘জেক দ্য ৰিপাৰ’ নামৰ হত্যাকাৰীজন এজন ‘পুৰুষ’ আছিল।

বিশ্বৰ বহুতো সমাধানহীন ৰহস্যৰ ভিতৰত ‘জেক দ্য ৰিপাৰ’ৰ কাহিনীও অন্যতম। সমাধানহীনতাৰ বাবেই ই নিতৌ নতুন নতুন তথ্যৰে পুষ্টি লাভ কৰিছে। শেহতীয়াভাৱে প্ৰকাশিত এখন কিতাপে এইবিতৰ্কৰ যেন আকৌ উত্থান ঘটালে। কিতাপখনে এনে এটি দিশক আলোকপাত কৰিলে যি হয়তো কোনেও কেতিয়াও অসচেতন অৱস্থাতো কল্পনা কৰা নাছিল। ‘জেক দ্য ৰিপাৰ’ক লৈ ৰচিত এই নতুন কিতাপখনে গোটেই ঘটনাটোকে এক নতুন মাত্ৰা প্ৰদান কৰিছে। কিতাপখনৰ নাম ‘জেক দ্য ৰিপাৰ ঃ দ্য হেণ্ড অব্ অ্যা ৱ’মেন’ (চেৱেন, ২০১২)।

লেখক চেৱেনৰ মতে, গণিকাসকলক হত্যাৰ লক্ষ্য হিচাপে লোৱাৰ বাবে প্ৰথম অৱস্থাৰপৰাই অনুসন্ধানকাৰীসকলে ইয়াত যে মহিলাৰো হাত থাকিব পাৰে সেই দিশটোক সম্পূৰ্ণৰূপে আওহেলা কৰি গৈছিল। কিন্তু লক্ষণীয়ভাৱে হত্যাৰ বলি হোৱা কোনো এগৰাকী মহিলাৰ ওপৰত যৌন অতিশয্যৰ কোনো প্ৰমাণ নাই। গতিকে যৌন শোষণৰ অভিপ্ৰায় যে হত্যাকাৰীৰ নাছিল সেয়া নিশ্চিত। অৱশ্যে এই কথাখিনিয়ে হত্যাকাৰী যে এগৰাকী নাৰী আছিল সেয়া প্ৰমাণ কৰিবলৈ পৰ্যাপ্ত নহয়।

‘জেক দ্য ৰিপাৰ ঃ দ্য হেণ্ড অব্ অ্যা ৱ’মেন’ কিতাপখনত এই ৰোমহৰ্ষক হত্যাকাণ্ডৰ হত্যাকাৰিণী হিচাপে এগৰাকী মহিলালৈ প্ৰত্যক্ষভাৱে আঙুলি টোঁওৱা হৈছে। মহিলাগৰাকীৰ নাম উইলিয়াম লিজ্জি। লিজ্জিৰ স্বামী ছাৰ জন উইলিয়াম বৃত্তিত এগৰাকী ফিজিছিয়ান। তেওঁ ৰয়েল ফেমিলীৰ এগৰাকী সদস্যও। উল্লেখনীয় যে এই ছাৰ জন উইলিয়ামছকে ২০০৫ চনত প্ৰকাশিত কিতাপ ‘আংকল জেক’ত হত্যাকাণ্ডসমূহৰ নায়ক হিচাপে অভিযুক্ত কৰা হৈছিল। এই অভিযোগ কৰিছিল তেওঁৰেই এগৰাকী বংশধৰ তথা ‘আংকল জেক’ৰ সহ-লেখক টনী উইলিয়ামছে। বন্ধ্যাত্বৰ কাৰণসমূহ গৱেষণা কৰাৰ উদ্দেশ্যেই এই হত্যাকাণ্ডসমূহ সংঘটিত কৰা হৈছিল বুলি উল্লেখ কৰা হৈছে। কিন্তু ‘জেক দ্য ৰিপাৰ ঃ দ্য হেণ্ড অব্ অ্যা ৱ’মেন’-এ এই ঘটনাটিক সম্পূৰ্ণ এক নতুন দিশলৈ গতি দিলে। স্বামীৰ সলনি এইবাৰ অভিযুক্ত কৰা হ’ল পত্নীক। তেনেদৰে অভিযোগ কৰা অভিযোগকাৰী ব্যক্তিগৰাকী আছিল জন মৰিছন। তেওঁ আয়াৰলেণ্ডৰ এগৰাকী অৱসৰপ্ৰাপ্ত অধিবক্তা। মৰিছনৰ মতে, লিজ্জিৰ এই হত্যাকাণ্ডৰ কাৰণ আছিল বন্ধ্যাত্বই তেওঁৰ মনত সৃষ্টি কৰা এক আক্ৰোশমূলক ভাবনা। লিজ্জিৰ সন্তান জন্ম দিয়াৰ ক্ষমতা নাছিল। এই কথাই লিজ্জিৰ মানসিক স্থিতি এনে কৰি পেলাইছিল যে তেওঁ হত্যা কৰা তিনিগৰাকী গণিকাৰ গৰ্ভাশয় ফালি বাহিৰলৈ উলিয়াই পেলাইছিল। নিজৰ অক্ষমতাৰ ক্ষোভ যেন তেওঁ এনেদৰেই উজাৰি দিছিল। তদুপৰি মৰিছনে বিভিন্ন তথ্যৰে এইটো প্ৰমাণ কৰি দিছিল যে প্ৰত্যেকটি হত্যাকাণ্ডৰ ঠিক পিছতে লিজ্জি ভয়ানকভাৱে ‘নাৰ্ভাছ ব্ৰেক ডাউন’ৰ চিকাৰ হৈছিল। হত্যাকাণ্ডসমূহৰ সৈতে কোনো সম্পৰ্ক নাথাকিলে তেনে হোৱাটো অৱশ্যেই স্বাভাৱিক।


‘জেক দ্য ৰিপাৰ’ বুলি খ্যাত অপৰাধীগৰাকী প্ৰকৃততে যে এগৰাকী নাৰীহে সেই সম্পৰ্কে কিতাপখনত আৰু কিছুমান তথ্য দাঙি ধৰা হৈছে। মৃতা এগৰাকী গণিকাৰ তেজৰ ডোঙাৰ ওচৰত কোনো অজ্ঞাত মহিলাৰ জোতাৰ তিনিটা বুটাম পোৱা গৈছিল। কিন্তু সেই সময়ত অনুসন্ধানকাৰীসকলে সেই বিষয়টোক সম্পূৰ্ণৰূপে অৱজ্ঞা কৰিছিল। তদুপৰি তৃতীয়গৰাকী হত্যাৰ বলি গণিকা মেৰী কেলিৰ ‘ফায়াৰ প্লেচ’ত উদ্ধাৰ হৈছিল কোনো অজ্ঞাত মহিলাৰ স্কাৰ্ট, টুপীৰ অৱশিষ্ট। কিন্তু সেইবোৰনো কাৰ সামগ্ৰী আছিল সেয়া উদ্ধাৰ কৰাৰ কোনো প্ৰয়াসেই কৰা নহ’ল।

চেৱেনৰ কিতাপখনত মৰিছনে আন এক বিস্ফোৰক তথ্য অৱগত কৰিছিল। তেওঁৰ মতে, তৃতীয়গৰাকী বলি মেৰী কেলিৰ লিজ্জিৰ স্বামী ছাৰ উইলিয়ামছৰ সৈতে এক অবৈধ সম্পৰ্ক আছিল। এই কথা মৰিছনে যথেষ্ট তথ্য সহকাৰে প্ৰমাণো কৰিছে। হোৱাইট চেপেলত গৰ্ভপাতৰ ক্লিনিক চলোৱা জন উইলিয়ামছৰ মেৰী কেলিৰ সৈতে এক সম্পৰ্ক গঢ় লৈ উঠা কথাটো নুই কৰিব নোৱাৰি।

তথাপি এক সন্দেহ থাকি যায় যে স্কটলেণ্ড ইয়াৰ্ডৰ দৰে সুদক্ষ অনুসন্ধানকাৰী সংস্থা এটাই দিনক ৰাতি কৰি ‘জেক দ্য ৰিপাৰ’ৰ অনুসন্ধানত ৰত থকাৰ পিছতো এই তথ্যসমূহ কিদৰে অদেখা হৈ থাকিল! ইয়াৰ উত্তৰ মৰিছনে এনেদৰে দিছে— ‘প্ৰাৰম্ভিক অৱস্থাৰপৰাই সকলোৰে মনত হত্যাকাৰীগৰাকী পুৰুষ বুলি এনে এক ধাৰণাই খোপনি পুতি লৈছিল যে মহিলাৰ ফালে নিৰ্দেশ কৰা সকলো ধৰণৰ তথ্যক সেই সময়ত একেবাৰে অৱজ্ঞা কৰা হৈছিল।’ এই কথাই হত্যাকাৰীগৰাকীক যথেষ্ট সহায় কৰিছিল। আনকি যিসকল গণিকা সম্ভাব্য হত্যাকাৰীৰ আশংকাত ত্ৰস্ত হৈ আছিল তেওঁলোকেও এই মহিলাৰ ওচৰত বিপদৰ কোনো অনুমান কৰিবপৰা নাছিল। যাৰ ফলত হত্যাকাৰিণীয়ে নিৰ্বিঘ্নে চলাই গৈছিল এটাৰ পিছত এটাকৈ হত্যাকাণ্ড। ‘জেক দ্য ৰিপাৰ ঃ দ্য হেণ্ড অব্ অ্যা ৱ’মেন’ত সন্নিৱিষ্ট এই তথ্যসমূহ অৱশ্যেই চাঞ্চল্যকৰ, কিন্তু ইয়াৰ সত্য-সত্যতা কিমান সেয়া ৰিপাৰ’ল’জীৰ ভৱিষ্যৎ সময়ৰ গৱেষণাসমূহৰ জৰিয়তেহে সঠিকভাৱে জানিবপৰা যাব।



উইলিয়াম লিজ্জি



ছাৰ জন উইলিয়াম

‘জেক দ্য ৰিপাৰ ঃ দ্য হেণ্ড অব্ আ ৰ’মেন’ কিতাপখনত
এই ৰোমহৰ্ষক হত্যাকাণ্ডৰ হত্যাকাৰিণী হিচাপে এগৰাকী মহিলালৈ
প্ৰত্যক্ষভাৱে আঙুলি টোঁওৱা হৈছে।

